# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 27-03-2026

**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত উদ্ভৱ হোৱা ইন্ধন আৰু ৰন্ধন গেছৰ নাটনি সন্দৰ্ভত ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। অৱশ্যে অসমকে ধৰি নিৰ্বাচন হ'বলগীয়া পাঁচখন ৰাজ্যৰ মুখ্যমন্ত্ৰী নিৰ্বাচনী অধিসূচনা জাৰি হৈ থকাৰ বাবে বৈঠকখনত উপস্থিত থাকিব নোৱাৰিলে। ইয়াৰ পৰিৱৰ্তে ৰাজ্যকেইখনৰ মুখ্য সচিব বৈঠকত উপস্থিত থাকে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে অনুষ্ঠিত বৈঠকত ৰাজ্যসমূহৰ প্ৰস্তুতি আৰু পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰা হয়।

ইফালে পশ্চিম এছিয়াৰ সংকটৰ মাজত সমগ্ৰ বিশ্বত ইন্ধনৰ যোগান হ্ৰাস তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দাম বৃদ্ধি পোৱাৰ সময়তে চৰকাৰে ইন্ধনৰ ওপৰত আবকাৰী শুল্ক হ্ৰাস কৰাৰ বাবে সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে পেট্ৰ'ল আৰু ডিজেলৰ আৱকাৰী শুল্ক প্ৰতি লিটাৰত ১০ টকাকৈ হ্ৰাস কৰিছে। ইয়াৰ ফলত প্ৰতি লিটাৰ পেট্ৰ'লৰ শুল্ক হ্ৰাস পাই পূৰ্বৰ ১৩ টকাৰ পৰা ৩ টকা আৰু ডিজেলৰ আৱকাৰী শুল্ক শূণ্য হৈছে। এই সিদ্ধান্তক ইতিবাচক পদক্ষেপ বুলি অভিহিত কৰাৰ লগতে অভূতপূৰ্ব বুলিও কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে।

-বাইট (ৰিজিজু)-

০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ নিৰ্বাচনী প্ৰচাৰৰ বাবে দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ গুৱাহাটীত উপস্থিত হ'ব। গৃহমন্ত্ৰীগৰাকীয়ে কাইলৈ আৰু পৰহিলৈ ৰাজ্যখনৰ কেইবাটাও স্থানত জনসভাত অংশগ্ৰহণ কৰি নিৰ্বাচনী প্ৰচাৰ চলাব। উল্লেখযোগ্য যে বিধানসভা নিৰ্বাচনলৈ মাজত ১২ দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে ৰাজ্যজুৰি প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিহপুৰীয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী ভূপেন বৰাৰ হৈ প্ৰচাৰ চলায়। তেওঁ আজি ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিৰো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। ঢকুৱাখনা সমষ্টিৰ এন ডি এ প্ৰাৰ্থী নৱ কুমাৰ দলে আৰু ৰঙানদীৰ প্ৰাৰ্থী ঋষিৰাজ হাজৰিকাৰ সমৰ্থনত ড০ শৰ্মাই প্ৰচাৰ চলায়। লখিমপুৰত বিজেপি নেতাগৰাকীয়ে এটা ৰোড শ্ব'ত ভাগ লয়। দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিলচৰত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। জিলাখনৰ শিলচৰ আৰু বৰখলা সমষ্টিত শ্ৰীসোণোৱালে বিজয় সংকল্প সভাত অংশ লয়।

কংগ্ৰেছ আৰু বিৰোধী মিত্ৰদলসমূহৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ চলাই আছে। কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই পৰহিলৈ লখিমপুৰত প্ৰচাৰ অভিযান চলাব। দলৰ

ৰাজ্যিক সভাপতি গৌৰৱ গগৈয়ে আজি মাহমৰা সমষ্টিত বিৰোধী ঐক্যৰ প্ৰাৰ্থী জ্ঞানদীপ মোহনৰ হৈ প্ৰচাৰ কাৰ্য্যসূচীত অংশ লয়। দলৰ নেতা ৰিপুণ বৰাই শোণিতপুৰ জিলাৰ জীয়াগাভৰুত নিৰ্বাচনী কাৰ্য্যালয় উদ্বোধন কৰাৰ লগতে প্ৰচাৰ কাৰ্য্যসূচীতো অংশ লয়। অসম জাতীয় পৰিষদৰ নেতা লুৰিণজ্যোতি গগৈয়েও খোৱাং সমষ্টিৰ লগতে অন্যান্য স্থানত প্ৰচাৰ অব্যাহত ৰাখিছে।

ooooo

ওদালগুৰি জিলা বিশেষ পকচ' আদালতে আজি নাবালিকা ধৰ্ষণৰ অভিযোগত সহদেৱ গোৱালা নামৰ এজন লোকক ২০ বছৰ সশ্ৰম কাৰাদণ্ডৰ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ২০২৪ চনৰ ১৯ জুনত ওদালগুৰি জিলাৰ ওৰাং আৰক্ষী থানাৰ অধীনত এটা অঞ্চলত এই ধৰ্ষণকাণ্ড সংঘটিত হৈছিল। ঘটনা সংঘটিত হোৱাৰ পাছত পৰিয়ালৰ লোকে ওৰাং আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযুক্ত গোৱালাক গ্ৰেপ্তাৰ কৰি তদন্ত আৰম্ভ কৰে। অতি ক্ষীপ্ৰতাৰে আৰক্ষীয়ে গোচৰটোৰ অভিযোগনামা আদালতত দাখিল কৰাৰ পাছত আদালতত গোচৰটোৰ শুনানি আৰম্ভ হয়। প্ৰায় ২ বছৰৰ ধৰি গ্ৰহণ কৰা শুনানিৰ অন্তত আজি ৰাণী বড়োৰ বিশেষ পকচ' আদালতে সহদেৱ গোৱালাক ২০ বছৰৰ সশ্ৰম কাৰাগুৰ নিৰ্দেশ দিয়ে।

ooooo

পেট্ৰলৰ কৃত্ৰিম নাটনি সন্দৰ্ভত আজি মৰিগাওঁ জিলা আয়ুক্তৰ কাৰ্যালয়ত পেট্ৰল পাম্পসমূহৰ স্বত্তাধিকাৰী আৰু জিলা আয়ুক্তৰ মাজত একন বিশেষ বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত অনামিকা তেৱাৰীয়ে পেট্ৰল পাম্পৰ স্বত্তাধিকাৰী আৰু প্ৰবন্ধকসকলক কেতবোৰ নীতি নিৰ্দেশনা প্ৰদান কৰে। সেই অনুসৰি এতিয়াৰে পৰা পেট্ৰল পাম্পসমূহে যিকোনো পাত্ৰ, বটল অথবা ড্ৰামত পেট্ৰল দিব নোৱাৰিব। তদুপৰি পেট্ৰল পাম্পসমূহত ক্ষমতা অনুসৰি পেট্ৰল আৰু ডিজেল মজুত ৰাখিবলৈও নিৰ্দেশ দিয়া হয়। মজুত থকা পেট্ৰল আৰু ডিজেলৰ সবিশেষ গ্ৰাহকে দেখা পোৱাকৈ বোৰ্ডত লিখি ৰাখিবলৈ আয়ুক্তগৰাকীয়ে কঠোৰ নিৰ্দেশ দিয়ে।

ooooo

ঃঃ সমাপ্ত ঃঃ